समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



দশম শ্ৰেণীৰ বাবে

ইতিহাস

পাঠ - ৪

ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অসমত জাতীয় জাগৰণ

অংশ – ৭

অনামিকা দাস

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অনুশীলনী

অতি চমু উত্তৰৰ প্ৰশ্ন —

১। ইয়াণ্ডাবু সন্ধি কেতিয়া হৈছিল?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৮২৬ চনৰ ২৪ ফেব্রুৱাৰী।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। কোম্পানিৰ আমোল বুলিলে কোনটো সময়ক বুজোৱা হয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৮২৬ চনৰ পৰা ১৮৫৮ চনলৈ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। অসমত বাংলা ভাষাৰ প্ৰচলন কেতিয়া হৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৮৩৭ চনৰ পৰা।



৪। বাংলা ভাষাৰ ঠাইত অসমত অসমীয়া ভাষাৰ পুনৰ প্ৰচলন কেতিয়া হৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৮৭৩ চনত।



৫। অসম ছাত্র সম্মিলনৰ মুখপত্রখন কি আছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- মিলন।



৬। ৰায়ত সভাসমূহৰ মুখ্য উদ্দেশ্য কি আছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ব্রিটিছ চৰকাৰৰ দ্বাৰা প্রৱর্তিত ভূমি আৰু ৰাজহ ব্যৱস্থাৰ বিৰোধিতা কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। সদৌ অসম ৰায়ত সভাৰ গঠন কেতিয়া হৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৯৩৩ চনৰ ৮ এপ্ৰিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। আহোম সভাৰ সম্পাদক কোন আছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পদ্মনাথ গোঁহাইবৰুৱা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। যোৰহাট সার্বজনিক সভা কেতিয়া আৰু কাৰ নেতৃত্বত গঠন হৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৮৮৪ চনত জগন্নাথ বৰুৱাৰ নেতৃত্বত।



১০। অসম প্রদেশ কংগ্রেছ কমিটিৰ প্রথম সভাপতি আৰু সম্পাদক কোন আছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- সভাপতি কুলধৰ চলিহা আৰু সম্পাদক নবীন চন্দ্ৰ বৰদলৈ।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১১। অসম প্রদেশ কংগ্রেছ কমিটিৰ আনুষ্ঠানিকভাৱে নির্বাচিত প্রথমজন সভাপতি কোন আছিল?



উত্তৰঃ- বিষ্ণুৰাম মেধি।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১২। অসমৰ প্ৰথম প্ৰধানমন্ত্ৰী কোন আৰু কেতিয়া নিৰ্বাচিত হৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- গোপীনাথ বৰদলৈ, ১৯৪৬ চনত।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৩। কুশল কোঁৱৰক কি অপৰাধত ফাঁচী দিয়া হৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- সৰুপথাৰত ৰে'ল বগৰোৱাৰ অপৰাধত।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৪। গুৱাহাটী বিশ্ববিদ্যালয় কেতিয়া স্থাপিত হৈছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৯৪৮ চনৰ ২৬ জানুৱাৰীত।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

১৫। অসম চিকিৎসা মহাবিদ্যালয় আনুষ্ঠানিকভাৱে কেতিয়া নামাংকিত হয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৯৪৭ চনৰ ৩ নৱেম্বৰ।



১৬। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় কেতিয়া আনুষ্ঠানিকভাৱে আৰম্ভ হয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৯৬০ চনৰ ২০ ছেপ্তেম্বৰ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

চমু উত্তৰৰ প্ৰশ্ন —

১। অসমীয়া লিটাৰেৰী ছ'চাইটী'ৰ বিষয়ে চমুকৈ লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৮৩৬ চনৰ পৰা অসমত চৰকাৰীভাৱে বাংলা ভাষাৰ প্ৰয়োগ কৰা হৈছিল। যাৰ ফলত স্কুল,অফিছ-কাছাৰী, আদালত সকলোতে বাংলা ভাষাৰে প্ৰচলন আছিল। কিন্তু অসমীয়া ভাষাক পুনৰ চৰকাৰৰ দ্বাৰা মান্যতা দিয়াবলৈ স্বদেশ প্ৰীতি আৰু জাতীয়তাবাদী ভাৱধাৰাৰে অনুপ্ৰাণিত এচাম শিক্ষিত লোকৰ নেৰানেপেৰা প্ৰচেষ্টা অব্যাহত ৰাখিছিল।কলিকতালৈ উচ্চ শিক্ষাৰ বাবে যোৱা অসমীয়া ছাত্ৰসকল একত্ৰিত হৈ অসমীয়া ভাষা-সাহিত্য উন্নয়নৰ অৰ্থে ১৮৭২ চনত "অসমীয়া লিটাৰেৰী ছ'চাইটী"ৰ জন্ম দিয়ে। আৰম্ভণিতে অনুষ্ঠানটোক নেতৃত্ব দিছিল দেৱীচৰণ বৰুৱা আৰু গুণগোবিন্দ ফুকনে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

এই অনুষ্ঠানৰ প্ৰধান উদ্দেশ্য আছিল সাহিত্য চৰ্চা। কিন্তু সময় বাগৰাৰ লগে লগে অনুষ্ঠানটোত ৰাজনৈতিক চিন্তাৰো প্ৰকাশ ঘটিছিল। ১৮৭২ চনত সংগঠনৰ প্ৰসিদ্ধ সদস্য জগন্নাথ বৰুৱা আৰু মাণিক চন্দ্ৰ বৰুৱাই উক্ত ছ'চাইটিৰ তৰফৰ পৰা সেই সময়ৰ ভাইচৰয় লৰ্ড নৰ্থব্ৰুকক এখন স্মাৰক পত্ৰও প্ৰদান কৰিছিল। পত্ৰৰ যোগেদি অসমৰ প্ৰাকৃতিক সম্পদৰ উন্নয়ন আৰু অসম আৰু বংগৰ মাজত ৰে'ল সংযোগ স্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৱেদন জনাইছিল। ১৮৮৫ চনলৈকে এই অনুষ্ঠানটো সক্ৰিয় হৈ আছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। জোনাকী যুগৰ উল্লেখযোগ্য জাতীয়তাবাদী উত্তৰণৰ এটা চমু আভাষ দিয়া।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ১৮৮৮ চনত গঠন হোৱা অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ প্ৰকাশিত আলোচনীখনৰে নাম আছিল জোনাকী। এই জোনাকী আলোচনীয়ে অসমীয়া সাহিত্যত এক নৱজাগৰণৰ সৃষ্টি কৰিছিল। ইয়াত প্ৰকাশিত কবিতা, প্ৰৱন্ধসমূহত লেখকসকলৰ জাতীয়তাবাদী চিন্তাৰ প্ৰতিফলন ঘটিছিল।

ব্ৰিটিছসকলৰ আগমনৰ ফলত অসমৰ থলুৱা উদ্যোগ আৰু বাণিজ্যত যি নেতিবাচক প্ৰভাৱ পৰিছিল সেই বিষয়ে জোনাকীয়ে সচেতনতা সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল। কনকলাল বৰুৱা আৰু কমলাকান্ত ভট্টাচাৰ্যই নিয়মীয়াকৈ অসমৰ ৰচনাই স্বদেশপ্ৰেমৰ ঢল বোৱাইছিল।

অর্থনৈতিক অনগ্রসৰতা আৰু প্রগতিৰ ধাৰা সম্পর্কীয় নিৱন্ধ প্রকাশ কৰিছিল।

লক্ষীনাথ বেজবৰুৱাৰ মোৰ দেশ, অসম সংগীত, বীণ বৰাগী, অম্বিকাগিৰী ৰায়চৌধুৰীৰ বিভিন্ন ৰচনাই স্বদেশপ্রেমৰ ঢল বোৱাইছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। আহোম সভাৰ ৰাজনৈতিক দাবী সম্পৰ্কে চমুকৈ লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- পদ্মনাথ গোহাঁইবৰুৱাৰ নেতৃত্বত ১৮৯৩ চনত আহোম সভা গঠন কৰা হৈছিল।আহোম জনগোষ্ঠীৰ ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক আৰু সাংস্কৃতিক অৱনতিৰ প্ৰতি লক্ষ্য ৰাখি এই সভা গঠন হৈছিল। আহোম জনগোষ্ঠীৰ মাজৰ পৰা কানিৰ প্ৰচলন নাইকিয়া কৰিবলৈও এই সভা যত্নপৰ হৈছিল। ১৯১০ চনত এই সভাক সদৌ অসম আহোম এছ'চিয়েছন নাম দিয়া হয়। এই এছ'চিয়েছনৰ এক উল্লেখযোগ্য ৰাজনৈতিক দাবী আছিল। আহোমসকলক চৰকাৰীভাৱে সংখ্যালঘু সম্প্ৰদায়ৰ মৰ্যদা প্ৰদান কৰি তেওঁলোকৰ বাবে বিধান সভাত আসন সংৰক্ষণ কৰা আৰু পৃথক সমষ্টি গঠন কৰা।

এই উদ্দেশ্যে ১৯৩০ আৰু ৪০ দশক দুটাত আহোম সভাই সক্রিয়ভাৱে দাবী তুলিছিল। ইয়াৰ পিছত এছ'চিয়েছনত বিভাজিত হৈ ক্রমাৎ দুর্বল হৈ পৰে।



৪। আছাম এছ'চিয়েছনে ব্রিটিছ চৰকাৰৰ ওচৰত উত্থাপন কৰা বিষয়সমূহ কি আছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- আছাম এছ'চিয়েছনে ব্রিটিছ চৰকাৰৰ ওচৰত উত্থাপন কৰা বিষয়সমূহ হৈছে –

(i) পৌৰসভাত চৰকাৰী বিষয়া আৰু লোকেল ব'র্ডত চাহ খেতিয়ক আধিপত্যৰ বিৰোধিতা কৰিছিল।

(ii) আছাম এছ'চিয়েছনে স্থানীয় সমিতিসমূহৰ গণতান্ত্রিকৰণৰ দাবী উত্থাপন কৰিছিল।

(iii) বর্ধিত কৰ, চৰকাৰৰ শুল্ক ব্যৱস্থা আৰু কানিৰ প্রচলনৰ বিৰোধিতা কৰিছিল।

(iv) শিক্ষাৰ দিশত অসমক আগুৱাই নিবলৈ চেষ্টা কৰিছিল। সেই উদ্দেশ্যে আছাম এছ'চিয়েছনে কটন কলেজত অসমীয়া শিক্ষকৰ নিযুক্তি আৰু অসমত কাৰিকৰী শিক্ষানুষ্ঠান স্থাপনৰ হকে মাত মাতিছিল।

(v) ১৯১৮ চনত মন্টোগ'- ছেমছফর্ডৰ ৰিপর্টৰ আধাৰত প্রস্তাৱিত শাসন সংস্কাৰত অসমকো সামৰি লোৱাৰ বাবে দাবী তুলিছিল। সেই উদ্দেশ্যে দাবী উত্থাপনৰ বাবে সাতজনীয়া এটা সজাতী দল কলিকতালৈ গৈছিল। পৰৱর্তী সময়ত নবীন চন্দ্র বৰদলৈ আৰু প্রসন্ন কুমাৰ বৰুৱাই সেই দাবী লৈ লণ্ডনলৈও গৈছিল। আছাম এছ'চিয়েছনৰ হেঁচাতে অসম মন্টেগ' ছেমচফর্ড সংস্কাৰ আঁচনিৰ অধীনত আহিল।

(vi) ১৯২০ চনত অসমত বিশ্ববিদ্যালয় স্থাপনৰ বাবে দাবী তুলিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(vii) ১৯২১ চনৰ অসহযোগ আন্দোলনত আছাম এছ'চিয়েছনে সক্রিয়ভাৱে অংশ গ্রহণ কৰিছিল।

(viii) বংগ বিভাজনৰ বিৰোধিতা কৰি অসমক পূৰ বংগৰ পৰা পৃথক কৰিবলৈ ১৯০৭ চনত আছাম এছ'চিয়েছনে চৰকাৰৰ ওচৰত স্মাৰক পত্র দাখিল কৰিছিল।

(ix) বিধান সভাত প্রতিনিধিত্বৰ দাবী তুলিছিল।

৫। অসমত অসহযোগ আন্দোলনত নেতৃত্ব দিয়া অসমীয়া নেতাসকলৰ বিষয়ে উল্লেখ কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- অসমত ১৯২০-২১ চনৰ পৰা আৰম্ভ হোৱা অসহযোগ আন্দোলনত বহু কেইজন গণ্যমান্য ব্যক্তি জড়িত হৈ আছিল।

১৯২১ চনৰ জুন মাহত অসম প্রদেশ কংগ্রেছ কমিটি গঠন হোৱাৰ পিছতে অসমত অসহযোগ আন্দোলনৰ জোৰ বাঢ়িবলৈ ধৰিলে আৰু অতি সোনকালেই ই সর্বভাৰতীয় আন্দোলনৰ সৈতে জড়িত হৈ পৰিল। সেই সময়ত অসম প্রদেশ কংগ্রেছ কমিটিৰ সভাপতি আৰু সম্পাদক ক্রমে কুলধৰ চলিহা আৰু নবীন চন্দ্র বৰদলৈয়ে আন্দোলনটোৰ প্রচাৰ আৰু প্রসাৰত গুৰুত্বপূর্ণ অৱদান আগৰঢ়াইছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

চন্দ্রনাথ শর্মা, হেমচন্দ্র বৰুৱা, অমিয় কুমাৰ দাস, মহিবুদ্দিন আহমেদ আদিৰ নেতৃত্বত অসমৰ যুৱকসকলে চৰকাৰী শিক্ষানুষ্ঠানসমূহ বর্জন কৰি এই আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

তাৰোপৰি লক্ষীধৰ শর্মা, ৰোহিনীকান্ত হাতীবৰুৱা, বিমলাকান্ত বৰুৱা, কনক চন্দ্র বৰুৱা, বেণুধৰ শর্মা, তিলক শর্মা আদিৰ দৰে স্বনামধন্য ব্যক্তিও এই আন্দোলনৰ বাটকটীয়া হৈ জনতাক নেতৃত্ব দিছিল।

ছাত্রসকলক অনুসৰণ কৰি নবীন চন্দ্র বৰদলৈ, তৰুণ ৰাম ফুকন, কুলধৰ শর্মা, বিষ্ণুৰাম মেধি আদি উকিলসকলেও ওকালতি ত্যাগ কৰি আন্দোলনত ভাগ লৈছিল।

৬। কানিংহাম চাকুলাৰৰ বিষয়ে লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- আইন অমান্য আন্দোলনক ব্ৰহ্মপুত্ৰ উপত্যকাত এক বৃহৎ আন্দোলনলৈ ৰূপান্তৰিত কৰাত স্কুল-কলেজত শিক্ষা গ্ৰহণ কৰি থকা ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ঠ অৰিহণা আগবঢ়াইছিল।সেয়ে ইংৰাজ চৰকাৰে ছাত্ৰসকলক এই আন্দোলনৰ পৰা বিৰত ৰাখিবলৈ বিভিন্ন ব্যৱস্থা কৰিছিল। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰ তেনে এক ব্যৱস্থাৰে অংশ আছিল। কানিংহাম চাৰ্কুলাৰে জাৰি কৰি ছাত্ৰ আৰু তেওঁলোকৰ অভিভাৱকসকলক আন্দোলনত অংশ লোৱাৰ পৰা বিৰত ৰাখিছিল। চৰকাৰে দোষী সাব্যস্ত হোৱা সকলক জৰিমণা বিহাৰ লগতে ছাত্ৰ বৃত্তিৰ পৰা তেওঁলোকক বঞ্চিত কৰা হ'ব বুলি ঘোষণা জাৰি কৰিছিল।

চৰকাৰৰ এই প্ৰৱোচনামূলক কাৰ্যই ছাত্ৰসকলক আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ উৎসাহিতহে কৰিছিল।



৭। গোপীনাথ বৰদলৈ মন্ত্রীসভাই স্বাধীনতাৰ পিছত মুখামুখি হোৱা সমস্যা সম্পর্কে চমুকৈ লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- স্বাধীনতাৰ ঠিক পিছতে উত্তৰ পূৰ্বাঞ্চলে সীমান্ত সমস্যাৰ সন্মুখীন হ'ব লগীয়া হৈছিল। ১৯৪৭ চনৰ দেশ বিভাজনে ভাৰতবৰ্ষৰ আন আন অঞ্চলৰ লগত উত্তৰ-পূৰ ভাৰতৰ যোগাযোগ বিঘ্নিত কৰিছিল। মাত্ৰ ১২ কিঃমিঃ বহল সংকীৰ্ণ স্থলভাগে উত্তৰ্-পূৰক ভাৰতৰ অন্য প্ৰান্তৰ লগত সংযোগ কৰি ৰাখিছিল। বিভাজনৰ পিছত পশ্চিমবংগ আৰু অসমৰ মাজৰ ৰেলপথ আৰু পথপৰিবহন হঠাৎ পূৰ পাকিস্তানৰ অন্তৰ্গত হৈ পৰিছিল। বিভাজনৰ বাবে বংগ, অসম আৰু আৰাকান অঞ্চলৰ মাজত চলি থকা অৰ্থনৈতিক বাণিজ্যত বাধা আহি পৰিছিল।

ইয়াৰ আগতে অঞ্চলটোত কৃষি শিল্পজাত সামগ্ৰী, চাহ, নীল, মৰাপাট, ৰেচম আদিৰ আন্তৰ্জাতিক বাণিজ্যৰ প্ৰচলন আছিল। কিন্তু বিভাজনৰ পিছত আন্তৰ্জাতিক বাণিজ্য বিসৰ্জন দি দেশীয় বাণিজ্যতহে মনোনিৱেশ কৰা হয়। ইয়াৰ উপৰিও উত্তৰ পূৰ্বাঞ্চলৰ ভৌগোলিক পুনৰগঠন আৰু অনুপ্ৰৱেশকাৰী সমস্যাও দেখা দিছিল। ১৯৬২ চনত চীনৰ ভাৰত আক্ৰমণে উত্তৰ-পূৰ ভাৰতৰ নিৰাপত্তাৰ প্ৰতি প্ৰচণ্ড ভাবুকি কঢ়িয়াই আনিছিল।

৮। অসম কৃষি বিশ্ববিদ্যালয় প্রতিষ্ঠাৰ চমু ইতিহাস লিখা।



উত্তৰঃ- ১৯২৩ চনত কৰিমগঞ্জত আৰু তাৰ পিছত তিতাবৰত অন্য এক কৃষি গৱেষণা কেন্দ্ৰৰ প্ৰতিষ্ঠাই অসম কৃষি বিশ্ববিদ্যালয়ৰ আৰম্ভণি পদক্ষেপ আছিল। এই কেন্দ্ৰসমূহে যদিও গৱেষণা আৰু প্ৰশিক্ষণ আবিৰামভাৱে চলাই গৈছিল তথাপি এখন সুকীয়া কৃষি আৰু পশু মহাবিদ্যালয়ৰ আৱশ্যকীয় হৈ পৰিছিল। তাৰে পৰিপ্ৰেক্ষিতত বৰদলৈ মন্ত্ৰীসভাৰ দিনত ১৯৪৮ চনত নগাঁৱত অসম পশু মহাবিদ্যালয় আৰু যোৰহাটত অসম কৃষি মহাবিদ্যালয় স্থাপন কৰা হৈছিল। এই দুয়োখন মহাবিদ্যালয় সামৰি ১৯৬৯ চনত অসম কৃষি বিশ্ববিদ্যালয় স্থাপন কৰা হয়। অসম কৃষি বিশ্ববিদ্যালয় উত্তৰ-পূৱৰ একমাত্ৰ আৰু প্ৰথম বৃত্তিমুখী বিশ্ববিদ্যালয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। অসম চিকিৎসা মহাবিদ্যালয় প্রতিষ্ঠাৰ চমু ইতিহাস লিখা।



উত্তৰঃ- ডিব্রুগড়ত উত্তৰ-পূৰ ভাৰতৰ প্ৰথমখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হৈছিল।১৯০০ চনত ডিব্রুগড়ত ডঃ জন বেৰী হোৱাটৰ ৫০,০০০ টকাৰ অনুদানৰ পুঁজিৰে "বেৰী হোৱাইট মেডিকেল স্কুল" স্থাপন হৈছিল। ডঃ জন বেৰী হোৱাট আছিল লখিমপুৰৰ চিভিল ছার্জন। ১৯১০ চনত এই চিকিৎসা বিদ্যালয়খনৰ বাবে ইংলেণ্ডৰ পৰা দুটা এক্স-ৰে মেচিন আমদানি কৰি অনা হৈছিল আৰু ৰেডিঅলজী বিভাগ আৰম্ভ কৰা হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত এই বিদ্যালয়খনৰ ওচৰৰে এখন চিকিৎসালয়ৰ চৌহদলৈ স্থানান্তৰিত কৰা হৈছিল। যিখন যুদ্ধৰ সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈন্য বাহিনীয়ে ব্যৱহাৰ কৰিছিল।

স্বাধীনতাৰ পিছত ১৯৪৭ চনৰ ৩ নৱেম্বৰ তাৰিখে এই বিদ্যালয়খনক আনুষ্ঠানিকভাৱে "অসম চিকিৎসা মহাবিদ্যালয়" নামেৰে নামাংকিত কৰা হয়।

